- পৰিয়াল পৰিকল্পনাৰ কোনো ব্যৱস্থা বিফল হ'লে।

- যদি শিশু বিকলাংগ হয়।

- গৰ্ভপাত গৰ্ভধাৰণৰ ১২ সপ্তাহৰ ভিতৰত কৰোৱা উচিত। বিশেষ পৰিস্থিতিত দুজন চিকিৎসকৰ তত্বাৱধানত গৰ্ভধাৰণৰ ২০ সপ্তাহ পৰ্য্যপ্ত গৰ্ভপাত কৰোৱাব পাৰি। পাঁচ মাহৰ পাছত গৰ্ভপাত কৰোৱাব নোৱাৰি।

## আমি কি কৰিব পাৰোঁ

- আমি নিজৰ পৰিয়ালৰ কাৰোৱে গৰ্ভস্থ শিশুৰ লিংগ পৰীক্ষা নকৰাওঁ।
- নিজৰ সম্বন্ধীয়, বন্ধু, চুবুৰীয়াসকলকো গৰ্ভস্থ সন্তানকো লিংগ পৰীক্ষা কৰোৱাত বাধা দিম।
- নিজৰ ওচৰ পাঁজৰৰ কোনো মহিলা গৰ্ভস্থ সন্তানৰো লিংগ পৰীক্ষাৰ ভয়ত আতুৰ হৈ থকা দেখিলে তৎক্ষণাত তেওঁক সহায় কৰক।
- চিকিৎসকে এই সংকল্প লওক যাতে তেওঁ কন্যা ভ্ৰূণ হত্যাৰ দৰে অপৰাধ নকৰে।
- যদি আপোনাৰ আশে পাশে এনে ঘটনা সংঘটিত হোৱা দেখে তেনেহ'লে ঘটনাৰ বিষয়ে স্বাস্থ্য বিভাগক জনাওক।
- সমজুৱাভাৱে আলোচনা কৰি ছোৱালীৰ প্ৰতি থকা মনোভাৱ পৰিৱৰ্তন কৰক।
- গাঁৱৰ সকলো লোককে কন্যা ভ্ৰূণ হত্যা প্ৰতিৰোধৰ বাবে জাগ্ৰত কৰক।
- কিশোৰীসকলক সজাগ কৰক যাতে আহি থকা জীৱনত কেতিয়াও গৰ্ভস্থ সন্তানৰ লিংগ পৰীক্ষা কৰাৱ অপৰাধ নকৰে।

সাক্ষৰ ভাৰত


ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in


সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ২

# গৰ্ভধাৰণ আৰু প্ৰসৱ পূৰ্ব নিদান কৌশল

## (লিংগ নিৰ্ধাৰণ নিষেধ)

অধিনিয়ম ১৯৯৪ আৰু সংশোধিত ২০০৩



## গৰ্ভধাৰণ আৰু প্ৰসৱ পূৰ্ব নিদান কৌশল (লিংগ নিৰ্ধাৰণ নিষেধ) অধিনিয়ম ১৯৯৪ আৰু সংশোধিত ২০০৩

**কিছু** বছৰৰ পূৰ্বে গৰ্ভস্থ ভ্ৰূণ নিৰ্ণয় কৰাৰ কৌশল উদ্ভাৱন হৈছিল। এই কৌশল গৰ্ভস্থ শিশুৰ শাৰীৰিক/মানসিক বিকলাংগতা দূৰ কৰাবৰ হেতু উপযোগী। ইয়াৰ সহায়ত ভ্ৰূণ পৰীক্ষা কৰাই ৰোগ নিৰ্ণয় কৰা হয়। তাৰ পাছত গৰ্ভতেই ৰোগৰ চিকিৎসাও কৰিব পাৰি।

কিন্তু এই কৌশলৰ অপপ্ৰয়োগ হ'বলৈ ধৰিলে। মানুহে এই কৌশল প্ৰয়োগ কৰি গৰ্ভস্থ শিশুৰ লিংগ নিৰ্ণয় কৰিবলৈ ধৰিলে। পৰীক্ষাত ছোৱালী বুলি ধৰা পৰিলে ভ্ৰূণ বিনষ্ট কৰাৰ দৰে অপৰাধ কৰিবলৈ ধৰিলে। ফলত কন্যা ভ্ৰূণ হত্যা কৰাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা তীব্ৰভাৱে কমিবলৈ ধৰিলে। লিংগ অনুপাত হ্ৰাস আৰু কৌশলৰ অপপ্ৰয়োগ ৰোধ কৰিবলৈ এখন অধিনিয়ম তৈয়াৰ কৰা হয়। ইয়াক গৰ্ভধাৰণ আৰু পূৰ্ব নিদান কৌশল (লিংগ নিৰ্ধাৰণ নিষেধ) অধিনিয়ম ১৯৯৪ আৰু সংশোধিত ২০০৩ বোলা হয়। ইয়াৰ অধীনত কোনো চিকিৎসালয়, পৰীক্ষা কেন্দ্ৰ অথবা ক্লিনিকে গৰ্ভাৱস্থাত শিশুৰ লিংগ নিৰ্ণয়ৰ বাবে কোনো প্ৰকাৰৰ পৰীক্ষা কৰিব নোৱাৰিব। এই অধিনিয়ম অনুসৰি কিছু বিশেষ পৰিস্থিতিতহে পৰীক্ষা কৰাব পৰা যাব।

### তলত দিয়া পৰিস্থিতিসমূহত ভ্ৰূণৰ পৰীক্ষা আইনসন্মত বুলি বিবেচিত হয়

- যেতিয়া গৰ্ভৰ শিশুৰ গুণসূত্ৰ (ক্ৰোমোজোম) অনিয়মিত হয়




- গৰ্ভৱতী মহিলাৰ দুই বা অধিকবাৰ হঠাৎ গৰ্ভপাত হৈছিল
- গৰ্ভৱতী মহিলাৰ বয়স ৩৫ বছৰৰ অধিক হ'লে।
- গৰ্ভৱতী মহিলাই এনে ঔষধ গ্ৰহণ কৰিছে অথবা চিকিৎসা কৰিছে, যাৰ দ্বাৰা শিশু শাৰীৰিক বা মানসিকভাৱে বিকলাংগ হ'ব পাৰে।
- গৰ্ভৱতী মহিলা বা তেওঁৰ স্বামীৰ পৰিয়ালত মানসিক নতুবা শাৰীৰিক বিকলাংগতাৰ ইতিহাস থাকিলে। কোনো অনুবংশিক ৰোগ থাকিলে।

### অধিনিয়ম অনুসাৰে শাস্তি

- যদি কোনো ব্যক্তিয়ে নিজ ইচ্ছাই বা কাৰোবাৰ হেঁচাত পৰি ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰোৱাই, তেন্তে সেয়া অপৰাধ হ'ব। এই অপৰাধৰ শাস্তি ৩ বছৰৰ কাৰাদণ্ড অথবা ১০,০০০ টকা জৰিমনা অথবা দুয়োটা হ'ব পাৰে।
- লিংগ নিৰ্ণয় কৰোৱা ব্যক্তি আৰু নিৰ্ণয় কেন্দ্ৰৰ মালিক উভয়ৰে শাস্তি হ'ব। এই শাস্তি ৩ বছৰৰ কাৰাদণ্ড অথবা ১০,০০০ টকা জৰিমনা অথবা দুয়োটা হ'ব পাৰে।
- অপৰাধ দ্বিতীয়বাৰ কৰা অপৰাধীৰ শাস্তি ৫ বছৰৰ কাৰাদণ্ড আৰু ৫০,০০০ টকা জৰিমনা হ'ব পাৰে।
- পৰীক্ষাৰ পাছত ডাক্তৰ বা কম্পাউণ্ডাৰে গৰ্ভৰ ভ্ৰূণৰ লিংগ সম্পৰ্কে কোৱাটো এই অধিনিয়মৰ উলংঘন হ'ব। ইয়াৰ বাবে তেওঁৰো শাস্তি হ'ব পাৰে।
- ডাক্তৰৰ দ্বাৰা এনে অপৰাধ সংঘটিত হ'লে ৫ বছৰৰ বাবে তেওঁৰ পঞ্জীকৰণ বা পঞ্জীয়ন বাতিল হ'ব পাৰে। দ্বিতীয় বাৰ এনে অপৰাধ কৰিলে চিৰকালৰ বাবে তেওঁৰ পঞ্জীয়ন বাতিল কৰি চিকিৎসকৰ তালিকাৰপৰা নাম কৰ্তন কৰা হ'ব।
- লিংগ নিৰ্ধাৰণৰ বিজ্ঞাপন দিয়াও অবৈধ আৰু বে-আইনী। এই ধৰণৰ বিজ্ঞাপন দিয়া ব্যক্তি অথবা কেন্দ্ৰৰ ৩ বছৰ কাৰাদণ্ড আৰু ১০,০০০ টকা জৰিমনা হ'ব পাৰে।

### এম.টি.পি এক্ট ১৯৭১ (গৰ্ভৰ চিকিৎসা সম্পৰ্কীয় সমাধান)

- লিংগ নিৰ্ণয় আৰু তাৰ পাছত গৰ্ভপাত কৰোৱা দণ্ডণীয় অপৰাধ। কিন্তু কিছুমান পৰিস্থিতিত গৰ্ভপাত আইন সন্মত হয়।
- এই পৰিস্থিতিসমূহ এম.টি.পি এক্ট ১৯৭১ (মেডিকেল টাৰ্মিনেচন অৰ প্ৰেগনেন্সী এক্ট)ৰ অনুৰূপ হ'ব। এই অধিনিয়ম অন্তৰ্ভুক্ত কেৱল ১২ সপ্তাহৰ ভিতৰত তলত দিয়া পৰিস্থিতিসমূহৰ বাবেহে গৰ্ভপাত কৰোৱাৰ পাৰি-

- গৰ্ভধাৰণৰ কাৰণে মাক গৰাকীৰ জীৱন বিপদাপন্ন হ'লে।

- বলাৎকাৰৰ ফলত গৰ্ভধাৰণ হ'লে।